অসমৰ সাংবাদিকৰ দলটোৰ আগত প্ৰকাশ কৰে। লক্ষণীয়ভাৱে, নৰ্মদা বচাও আন্দোলনৰ অন্যতম গুৰি ধৰোতা মেধা পাটকাৰে নৰ্মদা প্ৰকল্প নিৰ্মাণৰ বিৰোধিতা কৰাৰ পাছতো গুজৰাটত চৰ্দাৰ সৰোবৰ নৰ্মদা নিগম লিমিটেডে নিৰ্মাণ কৰা চৰ্দাৰ সৰোবৰ (নৰ্মদা) জলবিদ্যুৎ প্ৰকল্পত দুই ধৰণৰ পাৱাৰ হাউছত দৈনিক ১৪৫০ মেগাৱাট বিদ্যুৎ উৎপাদন হৈ থকাত ৰাজ্যখন যথেষ্ট উপকৃত হৈছে। ইয়াৰে ৰিভাৰ বেড পাৱাৰ হাউছত ৬টা টাৰ্বাইনৰ জৰিয়তে ১২০০ মেগাৱাট আৰু ৫ টা পাম্প টাৰ্বাইনৰ সহায়ত ২৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হৈছে। অসমৰ পৰা যোৱা ১৮ জনীয়া সাংবাদিকৰ দলটোৱে প্ৰত্যক্ষ কৰিবলৈ সুযোগ পোৱা মাটিৰ তলত থকা এই পাৱাৰ হাউছৰ জৰিয়তে উৎপাদিত বিদ্যুতৰ ১৬ শতাংশ গুজৰাট ৰাজ্যখনে ব্যৱহাৰ কৰাৰ বিপৰীতে মহাৰাষ্ট্ৰই ২৭ শতাংশ আৰু মধ্যপ্ৰদেশ ৰাজ্যখনে ৫৭ শতাংশ বিদ্যুৎ চুক্তি অনুসৰি ব্যৱহাৰ কৰাৰ সুযোগ লাভ কৰি আহিছে। তদুপৰি উক্ত বৃহৎ বান্ধৰ পৰা নিৰ্মাণ কৰি উলিওৱা কেনেলসমূহৰ জৰিয়তে গুজৰাটৰ ১৫খন জিলাৰ তিনি সহস্ৰাধিক গাঁৱৰ কৃষকে লাভ কৰিছে জলসিঞ্চনৰ বিশেষ সুবিধা। ইপিনে, আদিবাসী অধ্যুষিত অতি পিছপৰা অঞ্চলটোলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটাত ৰাজ্যখনে ৰাজহ লাভ কৰাৰ লগতে অঞ্চলটোত দিনক দিনে উন্নয়ন বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। আনহাতে, প্ৰকল্পটো নিৰ্মাণৰ লগে লগে ৰাজ্যখনৰ বহু নিবনুৱাই কৰ্মসংস্থাপন লাভ কৰিবলৈও সক্ষম হৈছে। ❐❐



# আহমেদাবাদৰ বি আৰ টি এছে প্ৰতিদিনে উপাৰ্জন কৰে ১৯ লাখ টকা



আহমেদাবাদ পৌৰ নিগমৰ অধীনস্থ 'বাছ ৰেপিড ট্ৰেনজিট পদ্ধতি'ৰ জৰিয়তে চলাচল কৰা গাড়ীসমূহৰ পৰা দৈনিক ১৯ লাখ টকা উপাৰ্জন হয়। আহমেদাবাদ চহৰৰ ভিন্ন প্ৰান্তত চলাচল কৰা ২২৩ খন গাড়ীৰ জৰিয়তে সংগ্ৰহ হয় এই বৃহৎ পৰিমাণৰ ধন।'—আহমেদাবাদ পৌৰ নিগমৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত এই কথা সদৰী কৰে 'বাছ ৰেপিড ট্ৰেনজিট পদ্ধতি ( বি আৰ টি এছ)ৰ কৰ্তৃপক্ষই। অসমৰ পৰা গুজৰাটলৈ অহা ১৮ জনীয়া সাংবাদিকৰ দল এটাৰ সৈতে মত-বিনিময় কৰি বি এৰ টি এছৰ সহকাৰী প্ৰবন্ধক প্ৰয়াগ ছোনিয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদিত আঁচনিৰ জৰিয়তে লাভ কৰা ৯৮৪ কোটি টকাৰে ৮৯ কিল'মিটাৰ পথৰ ভিতৰত প্ৰথম পৰ্যায়ত ১২.৫ কিঃমিঃ পথৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি ২০০৯ চনৰ অক্টোবৰত এই পথেৰে গাড়ী চলাচল আৰম্ভ কৰা হয়। পৰৱৰ্তী সময়ত বাকী পথৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয় বুলিও তেওঁ প্ৰকাশ কৰে। এই পথসমূহত চলাচলৰ বাবে মুঠ ২৫০ খন অত্যাধুনিক বাছৰ ব্যৱস্থা থকা বুলি দোহাৰি তেওঁ পুনৰ কয় যে ইয়াৰে ২৭ খন বাছ সংৰক্ষণ কৰি ৰখা হয়। এই বাছত যাত্ৰীৰ বাবে ন্যূনতম ভাৰা চাৰি টকা আৰু উচ্চতম ভাৰা ২৯ টকা নিৰ্ধাৰণ কৰা হৈছে বুলিও উক্ত মত বিনিময় অনুষ্ঠানত বিষয়াগৰাকীয়ে ব্যক্ত কৰে। প্ৰতি ২-৩ মিনিটৰ মূৰে মূৰে এই বাছ চলাচল কৰাত যাত্ৰীৰ যথেষ্ট সুবিধা হোৱা বুলি দোহাৰি সাধাৰণ লোক, শিক্ষাৰ্থী, অন্ধ লোক কিম্বা শাৰীৰিক বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে বিভিন্নধৰণৰ মাহিলি কাৰ্ডৰ ব্যৱস্থা কৰা হৈছে বুলিও বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখ্য যে উক্ত মত বিনিময় অনুষ্ঠানত বি আৰ টি এছৰ উপ প্ৰবন্ধক মুকেশ পাটিল, অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দুই বিষয়া প্ৰমোদ কুমাৰ দত্ত আৰু জাহিদ আহমেদ টাপাদাৰো উপস্থিত থাকে। অসমৰ পৌৰ নিগমৰ হাজাৰ হাজাৰ বিষয়া-কৰ্মচাৰীয়ে যিটো সময়ত মাহিলি দৰমহাৰ বাবে আন্দোলন কৰিব লগা হৈছে, তেনে সময়তে গুজৰাটৰ আহমেদাবাদ পৌৰ নিগমৰ অধীনস্থ বি আৰ টি এছে দৈনিক ১৯ লাখ টকা উপাৰ্জন কৰা বিষয়টোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। ❐❐

***অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত যোৱা মাৰ্চ মাহত ৰাজ্যখনৰ ১৮গৰাকী মফচলীয় সাংবাদিকৰ গুজৰাট ভ্ৰমণৰ ব্যৱস্থা কৰা হৈছিল। সাংবাদিক চম্পক বৈশ্যও এই দলটোৰ সদস্য আছিল।***



‘নমামি ব্ৰহ্মপুত্ৰ’ মহোৎসৱত কেন্দ্ৰীয় মন্ত্ৰী বাবুল সুপ্ৰিয়ই ভাষণ দিয়াৰ মুহূৰ্তত



কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী মহেশ শৰ্মা, মুখ্য মন্ত্ৰী সোণোৱাল, পৰিবহণ মন্ত্ৰী পাটোৱাৰী, পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা আৰু মুখ্য সচিবে গ্ৰন্থ উন্মোচন কৰা মুহূৰ্তত



বৰলুইতৰ পাৰত আৰতিৰ দৃশ্য



তিনিচুকীয়াত সাংস্কৃতিক অনুষ্ঠানৰ দৃশ্য




গোৱালপাৰাত সাংস্কৃতিক শোভাযাত্ৰাত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী আৰু অন্যান্যসকল



ভূটানৰ প্ৰধান মন্ত্ৰী শ্বেৰিং টবগেক মুখ্য মন্ত্ৰী সোণোৱালে সম্বৰ্ধনা জনোৱাৰ মুহূৰ্তত



স্মৃতিগ্ৰন্থ উন্মোচন কৰি ভাষণ দিয়াৰ মুহূৰ্তত সাংসদ ৰামেশ্বৰ তেলী, তিনিচুকীয়াত



মুখ্য মন্ত্ৰী সোণোৱাল আৰু তেওঁৰ সতীৰ্থবৰ্গৰে পৰ্যালোচনা কালত
কেন্দ্ৰীয় পথ-পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী




'নমামি ব্ৰহ্মপুত্ৰ'ৰ অনুষ্ঠানত দালাই লামা




'নমামি ব্ৰহ্মপুত্ৰ' মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দিয়াৰ মুহূৰ্তত
মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল



যোগগুৰু ৰামদেৱে যোগাসন কৰাৰ দৃশ্য



'নমামি ব্ৰহ্মপুত্ৰ' উপলক্ষে আয়োজিত নাওখেলৰ দৃশ্য

# ৰাইজৰ মতামত

## আমিও বিচাৰো ‘ৰাইজৰ বাতৰি’ক নতুন ৰূপত চাবলৈ

পৰিৱৰ্তনকামী ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা প্ৰকাশিত ‘ৰাইজৰ বাতৰি’ৰ প্ৰথম সংখ্যাটিত (১৬-৩১ মাৰ্চ) চকু ফুৰাই দেখিলো এক উচ্চ চিন্তা আৰু পৰিপক্ক সম্পাদনাৰে পৰিস্ফূট অগতানুগতিক বাৰ্তালোচনী এখন সময়োপযোগী সম্ভাৰেৰে প্ৰকাশ হৈ ওলাইছে। অগতানুগতিক বুলি এইবাবেই কৈছো যে এই সংখ্যাটিৰ আগৰ কিছু সংখ্যাত দেখিছিলো বা-বাতৰি আৰু বিভিন্ন লেখাক গুৰুত্ব দিয়াৰ সলনি বিভাগীয় মন্ত্ৰীগৰাকীৰ ফটো এখন যিকোনো অজুহাতত প্ৰায় প্ৰতিটো সংখ্যাতে ছপা কৰাৰ ওপৰতহে গুৰুত্ব দিয়া যেন অনুভৱ হৈছিল। তেওঁ জড়িত থকা সভা বা চৰকাৰী অনুষ্ঠানৰ বা-বাতৰিক বেছি প্ৰাধান্য দিয়া দেখা গৈছিল। যাৰ বাবে এনে একঘেয়ামী চৰিত্ৰৰ বাবে পাছলৈ ৰাইজৰ বাতৰি সংগ্ৰহ কৰিবলৈ মন নোযোৱা হৈছিল। অষ্টম বছৰ প্ৰথম সংখ্যাৰ এইবাৰৰ ‘ৰাইজৰ বাতৰি’ত দেখা গ’ল গুৰুত্বপূৰ্ণ বা-বাতৰি আৰু গঠনমূলক লিখনিৰে ভৰপূৰ মুঠ ডেৰকুৰি শিৰোনাম দখল কৰি ‘ৰাইজৰ বাতৰি’ ৰাইজৰ মাজলৈ ওলাই আহিল। চৰকাৰী বা-বাতৰিৰ উপৰি সাহিত্য, সংস্কৃতি, ক্ৰীড়া আদি বিষয়ৰ মনোগ্ৰাহী লেখায়ো স্থান পোৱাত বাৰ্তালোচনীখনে পূৰ্ণতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এসময়ৰ তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক আৰু আজিৰ এগৰাকী প্ৰবীণ সাংবাদিক তথা চিন্তাবিদ শ্ৰদ্ধেয় ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ দৰে পৰিপক্ক উপদেষ্টা আৰু ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ দৰে অভিজ্ঞ সাংবাদিকৰ হাতত সম্পাদনাৰ ভাৰ পৰাৰ বাবেও ‘ৰাইজৰ বাতৰি’তো পৰিৱৰ্তনৰ শুভ বতাহ বলা যেন অনুমান হয়। মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ‘ৰাইজৰ সহযোগিতাৰে ৰাইজৰ চৰকাৰ’, মুখ্য মন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ ‘জনসাধাৰণ আৰু প্ৰশাসনৰ মাজত সেতুবন্ধনৰ ৰূপত অৱতীৰ্ণ হওক ৰাইজৰ বাতৰি’, ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ ‘অসমীয়াই বীৰদৰ্পে আত্মপ্ৰতিষ্ঠা কৰক’ আদি গুৰুত্বপূৰ্ণ লেখাৰ পৰা ড° গৌতম মজুমদাৰৰ ‘অসম বাজেট-২০১৭-১৮’ আৰু কুল শইকীয়াৰ মনোগ্ৰাহী লেখাটিয়ে বাৰ্তালোচনীখনক সাৰ্থক ৰূপত আগবাঢ়ি যোৱাত সহায় কৰিছে। তদুপৰি, হাতী মাৰি ভূৰুকাত ভৰোৱাৰ দৰে ২০১৬ চনৰ মে’ মাহত বিজেপি নেতৃত্বাধীন সৰ্বানন্দ সোণোৱাল চৰকাৰখনৰ সামগ্ৰিক উন্নয়নৰ প্ৰতিচ্ছবি এখন দেখা পোৱা গৈছে। স্বাস্থ্যমন্ত্ৰী হিচাপে স্বাস্থ্য বিভাগত, শিক্ষামন্ত্ৰী হিচাপে শিক্ষা বিভাগত আৰু বিত্তমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাই কম দিনৰ ভিতৰতে এগৰাকী দক্ষ মন্ত্ৰীৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে আৰু ‘ৰাইজৰ বাতৰি’ত প্ৰকাশিত সমীক্ষাই ইয়াৰ প্ৰমাণ। বিগত বাজেট অধিৱেশনত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৪৭৭৭৯.৮২ কোটি ব্যয়, ২৪৭৪১২.৬৭ কোটিৰ সাম্ভাব্য আয় আৰু ২৩৪৯.৭৯ কোটি টকাৰ ঘাটি বাজেটেৰে যি এক বাজেট দাখিল কৰিলে ‘ৰাইজৰ বাতৰি’ত পুনৰবাৰ সবিস্তাৰে অধ্যয়ন কৰি উপকৃত হ’লো। সঁচাই এই বাজেটত দেখা যায়—‘অষ্টাদশ মুকুতাৰ উন্নয়নী মালা।’ অসমৰ এগৰাকী প্ৰাতঃস্মৰণীয় নমস্য ব্যক্তি ড° নগেন শইকীয়া ছাৰৰ নিকুমণি হুছেইনে লোৱা সাক্ষাৎকাৰটিয়ে আমাক উপকৃত কৰাৰ লগতে বাৰ্তালোচনীখনৰো মৰ্যাদা বৃদ্ধিত সহায় কৰিছে। চৰকাৰী বিভাগ তথা মন্ত্ৰী-বিধায়কসকলৰ কামৰ খতিয়ান আমাক লাগিব। তদুপৰি মাননীয় উপদেষ্টা আৰু সম্পাদক ডাঙৰীয়াক এই ছেগতে এটি অনুৰোধ জনাব বিচাৰিছো—‘ৰাইজৰ বাতৰি’ৰ প্ৰতিটো সংখ্যাত নোৱাৰিলেও কিছু দিনৰ মূৰে মূৰে অসম বিধানসভাৰ বিধায়কসকলে নিজ নিজ সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ বাবে কি কি কাম কৰি আছে আৰু ভৱিষ্যৎ পৰিকল্পনা কি এইবোৰ তথ্য সম্বলিত ‘সমষ্টি উন্নয়নত স্থানীয় বিধায়কৰ ভূমিকা’ শীৰ্ষক এলানি ধাৰাবাহিক লেখা প্ৰকাশ কৰিলে ‘ৰাইজৰ বাতৰি’ৰ গুৰুত্ব আৰু অধিক বৃদ্ধি পাব বুলি আমাৰ মনে ধৰে। এবাৰ ভাবি চাব পাৰে। আনহাতে, মুখ্য মন্ত্ৰীৰ বিভাগসমূহৰ খতিয়ান, বিভাগীয় মন্ত্ৰীৰ উন্নয়নৰ খতিয়ান আদি বিভাগ হিচাপে দাঙি ধৰিলে শৃংখলাবদ্ধ হ’ব আৰু বিভাগটোৰ দায়িত্ব আৰু গুৰুত্ব বাঢ়িব। আনহাতে, যদি আইনী বাধা নাথাকে তেনেহ’লে বিধানসভা অধিৱেশনত বিধায়কসকলে কৰা প্ৰশ্ন আৰু বিভাগীয় মন্ত্ৰীসকলৰ উত্তৰৰ প্ৰতিলিপি ছপা কৰিলে আমি পাঠক সমাজ উপকৃত হ’ম আৰু বাৰ্তালোচনীখনৰো গুৰুত্ব বৃদ্ধি পাব। ‘ৰাইজৰ বাতৰি’ত মুকলি প্ৰশ্নোত্তৰ শিতান এটি আৰম্ভ কৰিলে ভাল হ’ব যেন লাগে। আশা কৰো, পাঠকৰ ৰুচি অনুসৰি মনোগ্ৰাহী লেখা প্ৰকাশেৰে ‘ৰাইজৰ বাতৰি’ৰ প্ৰতিটো সংখ্যাই নতুন ৰূপত আত্মপ্ৰকাশ কৰিব।

*মিহিৰ কুমাৰ বৰুৱা*
*ফৰেষ্ট গেট, নাৰেংগী, গুৱাহাটী-২৬*
*ম’বাইল নং ঃ ৯৮৫৪০-৮০০১৯*